আহোম সকল কোন আছিল ? চুকাফাই কি দৰে অসমত আহোম ৰাজ্য স্থাপন কৰিছিল বৰ্ণনা কৰা।

আহোমসকল মঙ্গোলীয় জনগোষ্ঠীৰ অন্তৰ্গত বিখ্যাত শ্যান বা টাই জাতিৰ লোক।

1215 খ্ৰীষ্টাব্দত চুকাফা নামৰ টাই জাতিৰ এজন কোঁৱৰে নহেজাৰ সৈন্য আৰু পাত্ৰ-মন্ত্ৰী, বিষয়াসকলক লগত লৈ উত্তৰ বৰ্মাৰ মাওলুং ৰাজ্য ত্যাগ কৰি নতুন ৰাজ্য স্থাপনৰ উদ্দেশ্যে পশ্চিম দিশে অগ্ৰসৰ হয়। এইদৰে তেওঁ পাটকাই পৰ্বতৰ ওখৰে-মাখৰে প্ৰায় 13 বছৰ কাল অতিবাহিত কৰি অৱশেষত 1228 খ্ৰী:ত তেওঁ খামজাংৰ নগা ৰাজ্যৰ সীমাত উপস্থিত হয়। খামজাংৰ নগাবোৰক পৰাস্ত কৰি তেওঁ তাত এখন সৰু ৰাজ্য পাতি কাংখ্ৰাংখুং নামৰ এজন আহোম বিষয়াক খামজঙীয়া গোহাঁই নাম দি সেই ৰাজ্যৰ শাসনকৰ্তা পাতি চুকাফা পাটকাইৰ নগা ৰাজ্যৰ মাজেৰে অসম অভিমুখে অগ্ৰসৰ হয়। শেষত তেওঁ পাংচৌ গিৰিপথেৰে পাটকাই পৰ্বত অতিক্ৰম কৰি অসমত প্ৰৱেশ কৰে।

পাটকাইৰ নগাবোৰৰ লগত চুকাফাৰ সংঘৰ্ষ হয় আৰু যুদ্ধত পৰাস্ত হোৱা নগাবোৰৰ ওপৰত চুকাফাই অমানৱীয় পাশৱিক অত্যাচাৰ চলায়। তেওঁ আনকি যুদ্ধত হত্যা হোৱা নগাবোৰৰ মাংস খাই সিহঁতৰ আত্মীয়বোৰক সেই মাংস খাবলৈ বাধ্য কৰে। ইয়াৰ পিছত তেওঁ পশ্চিমদিশে আগবাঢ়ি আহি দিহিং নৈৰ পাৰৰ নামৰূপত উপস্থিত হয়। তাৰ পৰা তেওঁ চৌ নদী অতিক্ৰম কৰি দিহিং নদীৰ পাৰত উপস্থিত

য়। যদিও ঠাইখন বসবাসৰ বাবে উপযুক্ত নোহোৱাত তেওঁ ইয়াৰ উপৰত উপস্থিত হয়। 1236 খৃঃত তেওঁ ঠাইডো ত্যাগ কৰি অভয়পুৰলৈ যায় আৰু কেবাবছৰ তাত অতিবাহিত কৰে। কিন্তু বানপানীৰ উপদ্ৰৱৰ কাৰণে তেওঁ সেই ঠাই ত্যাগ কৰি হাবুং, শিমলুগুৰি আদি ঠাইলৈ যায়। যদিও ৰাজধানী পাতিবৰ বাবে উপযুক্ত ঠাই বিচাৰি নোপোৱাত ইয়াৰ তেওঁ ভালেমখিনি ভটিয়াই আহি অৱশেষত চৰাইদেউ পৰ্বতত আহোম ৰাজ্যৰ ৰাজধানী স্থাপন কৰে।

ৰাজধানী স্থাপনৰ অন্তত: চুকাফাই এইবাৰ আহোম ৰাজ্যৰ সম্প্ৰসাৰণৰ ওপৰত গুৰুত্ব দিয়ে। তেওঁ দিহিং আৰু দিচাং নৈৰ মধ্যৱৰ্তী অঞ্চলত বসবাস কৰা মৰাণ আৰু বৰাহী সকলক বশ কৰাৰ চিন্তা কৰে। সেই উদ্দেশ্যে তেওঁ মৰাণ ৰজা বদৌচা আৰু বৰাহী ৰজা থাকুমথাক নিমন্ত্ৰণ কৰি আনি অতি কৌশলেৰে আহোমৰ তলতীয়া কৰে। চুকাফাই মৰাণসকলক আহোমৰ কাষীতোৰা আৰু বৰাহীসকলক খৰি যোগান ধৰাৰ দায়িত্ব অৰ্পণ কৰে। চুকাফাই আনকি তেওঁলোকৰ লগত বৈবাহিক সম্বন্ধও স্থাপন কৰি তেওঁলোকক আহোমৰ সমমৰ্যাদা দিয়ে।

চাৰিত্ৰিক দৃষ্টিভংগীৰে পৰ্যালোচনা কৰিলে দেখা যায় যে চুকাফা কেৱল এজনহে বীৰ যোদ্ধাই আছিল এনে নহয়, তেওঁ এজন মহান ৰাজনীতিজ্ঞ আৰু কূটনীতিবিদ আছিল। পাটকাইৰ নগাবোৰৰ ওপৰত অমানুষিক অত্যাচাৰ কৰি বাকী নগাবোৰৰ অন্তৰত ভয় আৰু আতংকৰ সঞ্চাৰ কৰাটোৱেই আছিল তেওঁৰ মুখ্য উদ্দেশ্য আৰু তাত তেওঁ সফলো হৈছিল। আনহাতে মৰাণ আৰু বৰাহী সকলক

Scanned with CamScanner

প্ৰীতি উদাৰতা প্ৰদৰ্শন কৰি আৰু তেওঁলোকৰ লগত বৈবাহিক সম্পৰ্ক স্থাপন আৰু তেওঁলোকৰ আচাৰ-ব্যৱহাৰ, কলা-কৃষ্টি আদি গ্ৰহণ কৰি চুকাফাই প্ৰকৃততে বৃহত্তৰ অসমীয়া জাতি গঠনৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছিল।